### দুলিয়াজানত অনুষ্ঠিত অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ

# অসম লোকসেৱা আয়োগৰ পাঠ্যক্ৰমত অসমীয়া ভাষাৰ প্ৰতি অসম চৰকাৰৰ অৱহেলাসূচক পদক্ষেপৰ তীব্ৰ বিৰোধিতা সাহিত্য সভাৰ




কাৰ্যনিৰ্বাহক সভাত মঞ্চত আসনাধিস্থ সভাৰ সভাপতি, উপ-সভাপতি আৰু অন্যান্য ব্যক্তিসকল

অসম লোকসেৱা আয়োগৰ পাঠ্যক্ৰমত অসমীয়া ভাষাৰ প্ৰতি অসম চৰকাৰৰ অৱহেলাসূচক সিদ্ধান্তক তীব্ৰ বিৰোধিতা, অসম লোকসেৱা আয়োগ সংস্কাৰ সমিতিলৈ স্মাৰক পত্ৰ প্ৰদান, জ্ঞানপীঠ বঁটা বিজয়ী প্ৰসিদ্ধ কবি নীলমণি ফুকনক সভাৰ আনুষ্ঠানিক অভিনন্দন জ্ঞাপনকে আদি কৰি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয় যোৱা ১১ ডিচেম্বৰ, ২০২১ খ্ৰীষ্টাব্দ তাৰিখে দুলিয়াজানৰ দুলিয়াজান ক্লাবত অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ কাৰ্যনিৰ্বাহক সভাত। সভাৰ প্ৰধান সম্পাদক যাদব চন্দ্ৰ শৰ্মাই কয় যে উল্লিখিত কাৰ্যনিৰ্বাহক সভাত অসম লোকসেৱা আয়োগৰ পাঠ্যক্ৰমত অসমীয়া ভাষাৰ প্ৰতি অৱহেলাসূচক সিদ্ধান্তৰ বিৰুদ্ধে ৰাজ্যখনৰ শৈক্ষিক-সামাজিক দল-সংগঠনৰ সৈতে সভাই এখন বৈঠকত আলোচনা কৰি প্ৰতিবাদ কাৰ্যসূচী নিৰূপণ কৰা হ'ব। ইয়াৰ উপৰি অসম চৰকাৰৰ এনে অসমীয়া ভাষা বিৰোধী সিদ্ধান্তৰ বিৰুদ্ধে প্ৰতিবাদ জনাই অসমৰ সমূহ জিলা সাহিত্য সভাই নিজ নিজ জিলাৰ উপায়ুক্তক স্মাৰক পত্ৰ প্ৰদান কৰিবলৈ আন এটি সিদ্ধান্ত কাৰ্যনিৰ্বাহক সভাখনত গ্ৰহণ কৰা হয় বুলি বিজ্ঞপ্তিত প্ৰধান সম্পাদকে জনায় আৰু লগতে কয় যে অসম সাহিত্য সভাৰ ইতিপূৰ্বে গৃহীত 'কা'-বিৰোধী স্থিতি এতিয়াও বাহাল আছে।

কাৰ্যনিৰ্বাহক সভাৰ আন এটি সিদ্ধান্তমৰ্মে জ্ঞানপীঠ বঁটা বিজয়ী প্ৰসিদ্ধ কবি নীলমণি ফুকনদেৱক সভাই আনুষ্ঠানিকভাৱে অভিনন্দন জ্ঞাপন কৰিব। উল্লেখযোগ্য যে প্ৰসিদ্ধ কবিগৰাকীক ইতিমধ্যে অসম সাহিত্য সভাই সাহিত্যাচাৰ্য সন্মান প্ৰদান কৰাৰ লগতে 'জাতীয় কবি'ৰ সন্মানেৰে বিভূষিত কৰিছে। সভাখনত গ্ৰহণ কৰা আন এটি গুৰুত্বপূৰ্ণ সিদ্ধান্ত অনুযায়ী নাৰায়ণপুৰত অনুষ্ঠিত হ'বলগীয়া সভাৰ পৰৱৰ্তী নাৰায়ণপুৰ অধিৱেশনৰ আদৰণি সমিতি গঠনৰ ক্ষেত্ৰত দেখা দিয়া খেলি-মেলিখিনি দূৰ কৰিবলৈ ডাঃ গিৰিশ সন্দিকৈ, প্ৰভাত বুঢ়াভকত, অনুপ বৰঠাকুৰ, মৃণাল হাজৰিকা আৰু ৰাণা বশিষ্ঠক লৈ এখন পাঁচজনীয়া সমিতি গঠন কৰা হয় আৰু অহা ২০ জানুৱাৰিৰ ভিতৰত এই সমিতিক চূড়ান্ত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হয়।

সংবাদ বিজ্ঞপ্তিত প্ৰকাশ যে কাৰ্যনিৰ্বাহক সভাত গৃহীত আন দুটি সিদ্ধান্তমৰ্মে গুৱাহাটী আই. আই. টি.ত ব্যৱহাৰিক অসমীয়া ভাষাৰ পাঠ্যক্ৰম প্ৰণয়ন কৰাৰ পদক্ষেপক আদৰণি জনোৱা হয় আৰু সভাৰ মুক্ত শিক্ষা সংসদৰ অধীনত প্ৰচলিত ব্যৱহাৰিক অসমীয়া ভাষা শিক্ষণৰ বাবে ধেমাজিত এটি নতুন শিক্ষা কেন্দ্ৰ ঘোষণা কৰা হয়।

০-০-০-০